জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৫৫/২০২০

# ৰ'য়েল গ্লবেল বিশ্ববিদ্যালয়ৰ চৌহদত স্থাপন কৰা সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্ত্তি শুভ উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১২ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মহানগৰীৰ বেতকুছিস্থিত ৰ'য়েল গ্লবেল বিশ্ববিদ্যালয়ৰ চৌহদত স্থাপন কৰা সুধাকণ্ঠ ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্ত্তি শুভ উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৰ'য়েল গ্ৰুপৰ স্বাস্থ্য সেৱা আৰু অন্ন সেৱাৰো আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে ৰ'য়েল গ্লবেল গ্ৰুপৰ কৰ্প'ৰেট সামাজিক দায়বদ্ধতা কাৰ্যসূচীৰ অংশ হিচাপে এই সেৱা আৰম্ভ কৰা হৈছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে ৰ'য়েল গ্লবেল গ্ৰুপৰ দ্বাৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পূৰ্ণাৱয়ব প্ৰতিমুৰ্ত্তি স্থাপনৰ পদক্ষেপক প্ৰশংসা কৰাৰ উপৰি এই পদক্ষেপে যুৱ প্ৰজন্মক সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অমৰ সৃষ্টিৰাজিৰ দ্বাৰা প্ৰকাশিত মানৱতা আৰু সাৰ্বজনীন ভাতৃত্ববোধৰ আদৰ্শ অনুসৰণ কৰাত অনুপ্ৰাণিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতি সাৰোগত কৰি ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সৰ্বাংগীন বিকাশৰ দিশত গ্ৰহণ কৰাৰ পদক্ষেপসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। ৰাজ্যখনৰ যুৱচামক জ্ঞান আৰু দক্ষতাৰ উৎকৰ্ষ সাধনেৰে বিশ্বৰ শ্ৰেষ্ঠ মানৱ সম্পদ হিচাপে প্ৰতিষ্ঠিত হোৱাৰ বাবে আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে সকলো ক্ষেত্ৰতে পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ বাবে নিষ্ঠা সহকাৰে কঠোৰ পৰিশ্ৰমত ব্ৰতী হ'বলৈও তেওঁলোকলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশখনে সকলো দিশতে লাভ কৰা ক্ষিপ্ৰ প্ৰগতিৰ কথা উল্লেখ কৰাৰ লগতে ২০১৪ চনত তেখেতে শাসনভাৰ লোৱাৰে পৰা সকলো শ্ৰেণীৰ জনসাধাৰণে সৰ্বাংগীন বিকাশৰ সুযোগ লাভ কৰিব পাৰিছে বুলিও কয়।

মুখ্যমন্ত্ৰীয়ে কৰ্প'ৰেট সামাজিক দায়বদ্ধতা কাৰ্যসূচীৰ অধীনত ৰ'য়েল গ্লবেল গ্ৰুপে সমাজৰ দুৰ্বল শ্ৰেণীৰ বাবে গ্ৰহণ কৰা ৰ'য়েল স্বাস্থ্য সেৱা আৰু ৰ'য়েল অন্ন সেৱাৰো প্ৰশংসা কৰে। ৰয়েল স্বাস্থ্য সেৱাৰ অধীনত সমাজৰ দুৰ্বল শ্ৰেণীয়ে অহৰ্নিশে চিকিৎসক আৰু পেৰা মেডিকেলৰ সেৱা লাভ কৰিবলৈ সক্ষম হ'ব। ইয়াৰ লগতে ৰয়েল অন্ন সেৱাৰ জৰিয়তে প্ৰতিদিনে ১০০ গৰাকী দুখীয়া লোকে খাদ্য সামগ্ৰী লাভ কৰিবলৈ সক্ষম হ'ব।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ৰ'য়েল গ্ৰুপৰ দ্বাৰা বেতকুছিত বহনক্ষম গৃহ নিৰ্মাণৰ আলোকপাতেৰে প্ৰস্তুত কৰা 'ৰ'য়েল আৱাস' শীৰ্ষক পুস্তিকা এখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, দুলীয়াজান-নুমলীগড় পাইপলাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী, ৰ'য়েল গ্লবেল বিশ্ববিদ্যালয়ৰ আচাৰ্য এ কে পাঞ্চাৰী, প্ৰো-চেঞ্চেলৰ এ কে মোদী, পাঞ্জাব নেশ্বনেল বেংকৰ মাণ্ডলিক প্ৰৱন্ধক শিৱ শংকৰ সেন, গুৰুজী বাবা কালিদাস দাহেল প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

স্বাঃডেঃ
১২/১১/২০২০